**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৱকফ সংশোধিত আইনৰ বিৰুদ্ধে পশ্চিমবংগৰ মুৰ্ছিদাবাদ জিলাত হোৱা হিংসাত্মক ঘটনাৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এৰ তদন্ত প্ৰতিবেদন কলকাতা উচ্চ ন্যায়ালয়ে অগ্ৰাহ্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত আজি দেশখনৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩। শ্ৰীমদভাগৱত গীতা আৰু ভৰত মুনিৰ নাট্য শাস্ত্ৰক ইউনেস্কোৰ বিশ্ব স্মৃতি পঞ্জীয়নত অন্তৰ্ভুক্ত কৰা হৈছে।

৪। শিখসকলৰ নৱমজনা গুৰু, গুৰু টেগ বাহাদুৰ চাহিবৰ সোঁৰৰণত আজি দেশজুৰি প্ৰকাশ পৰ্ব উদযাপন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

ৱকফ সংশোধিত আইনৰ বিৰুদ্ধে পশ্চিমবংগৰ মুৰ্ছিদাবাদ জিলাত হোৱা হিংসাত্মক ঘটনাৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এৰ তদন্ত প্ৰতিবেদন কলকাতা উচ্চ ন্যায়ালয়ে অগ্ৰাহ্য কৰিছে। ন্যায়াধীশ সৌমেন সেন আৰু ন্যায়াধীশ ৰাজা বসু চৌধাৰীৰ খণ্ড পীঠে এন আই এৰ তদন্ত প্ৰতিবেদন অগ্ৰাহ্য কৰি জিলাখনৰ উত্তেজনা চলি থকা অঞ্চলসমূহত কেন্দ্ৰীয় বাহিনীৰ টহল অব্যাহত ৰখাৰ নিৰ্দেশ দিয়ে। আমাৰ আকাশবাণীৰ কলকাতাৰ সংবাদদাতাই জনোৱা অনুসৰি বিধানসভাৰ বিৰোধী দলপতি শুভেন্দু অধিকাৰী আৰু অন্যান্যসকলে মুৰ্ছিদাবাদৰ ঘটনাৰ এন আই এৰ তদন্ত দাবী কৰিছিল। হিংসাজৰ্জৰ অঞ্চলসমূহত জিলা প্ৰশাসনৰ তত্বাৱধানত কেন্দ্ৰীয় বাহিনী আৰু ৰাজ্যিক আৰক্ষীৰ প্ৰচেষ্টাত ধীৰে ধীৰে স্বাভাৱিক অৱস্থা ঘূৰি আহিবলৈ লৈছে। কালি ছুটি আৰু ছামচেৰগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দুজনক বদলী কৰা হয়। আৰক্ষীয়ে জাফ্ৰাবাদত পিতা-পুত্ৰক হত্যা কৰাৰ ঘটনাত জড়িত আন এজন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াকে ধৰি জিলাখনৰ হিংসাত্মক ঘটনাত জড়িত থকাৰ অভিযোগত বৰ্তমানলৈকে ২৭৪ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত দেশখনৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে কুৱালালামপুৰত আজিৰেপৰা

অনুষ্ঠিত মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত শ্ৰী মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত দেশৰ উত্তৰ- পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ লৈছে। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা অনুৰাগ ঠাকুৰে নেচনেল হেৰাল্ড গোচৰক লৈ আজি কংগ্ৰেছক সমালোচনা কৰে। নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত শ্ৰী ঠাকুৰে কয়, যে নেচনেল হেৰাল্ডৰ নাম শুনিলেই কংগ্ৰেছৰ সমগ্ৰ পৰিৱেশ তন্ত্ৰটোৰেই  উত্তেজিত হৈ উঠে। এই প্ৰতিক্ৰিয়া স্বাভাৱিক বুলি দাবী কৰি তেওঁ কয়, যে ইয়াৰ কাৰণ হৈছে দলটো হাতে-লোটে ধৰা পৰিছে। কংগ্ৰেছে নিজকে পুনৰ প্ৰতিষ্ঠাৰ বাবে বাৰম্বাৰ চেষ্টা কৰিছে যদিও প্ৰতিবাৰতে ব্যৰ্থ হোৱা বুলি শ্ৰী ঠাকুৰে কটাক্ষ কৰে। স্বাধীনতাৰ পিছৰে পৰা কংগ্ৰেছ দলৰ নেতাসকল বিভিন্ন কেলেংকাৰীত জড়িত হৈ আহিছে বুলিও তেওঁ অভিযোগ কৰে।

০০০০০০০০০

বিশ্বজুৰি আজি বিশ্ব ঐতিহ্য দিৱস উদযাপন কৰা হৈছে। এই দিৱসক আন্তৰ্জাতিক কীৰ্তিচিহ্ন আৰু কীৰ্তিস্থল দিৱস হিচাপেও জনা যায়। এই বছৰ বিশ্ব ঐতিহ্য দিৱসৰ বিষয়বস্তু হৈছে- প্ৰাকৃতিক দুৰ্যোগ আৰু বিবাদৰ পৰা ভাবুকি অহা ঐতিহ্য। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সংৰক্ষণ আৰু সন্মান প্ৰদৰ্শনৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলত এই দিৱস উদযাপন কৰা হয়।

বিগত বছৰসমূহত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ভাৰতৰ স্থিতি উন্নত হৈ উঠা পৰিলক্ষিত হৈছে। এই তালিকাত ভাৰতৰ ৪৩টা স্থান অন্তৰ্ভুক্ত হৈ আছে আৰু ৬২টা স্থান এতিয়াও ইউনেস্ক'ৰ সম্ভাব্য তালিকাত মনোনীত হৈ আছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে ভাৰতৰ এই যাত্ৰাৰ আৰম্ভণি হৈছিল। এই স্থানসমূহক ইতিহাসৰ প্ৰতীক হিচাপে সংৰক্ষণ কৰাই নহয় বৰং আহিবলগীয়া প্ৰজন্মসমূহৰ বাবে শিকনৰ স্থান হিচাপেও সংৰক্ষণ কৰা হৈছে। এই দিৱস উপলক্ষে আজি ভাৰতৰ পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে।

০০০০০০০০০

ভাৰতে পশ্চিমবংগৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বাংলাদেশৰ বিষয়াই কৰা মন্তব্যক নাকচ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে এই মন্তব্যক কপট আৰু চলচাতুৰিৰ প্ৰচেষ্টা বুলি অভিহিত কৰিছে। তেওঁ কয়, যে বাংলাদেশে এনে মন্তব্যৰ জৰিয়তে দেশখনত সংখ্যালঘূ সম্প্ৰদায়ৰ ওপৰত হৈ থকা অত্যাচাৰক লৈ ভাৰতে উদ্বেগ প্ৰকাশ কৰাৰ লেখীয়াকৈ অনুৰূপ চিন্তা কৰাৰ প্ৰয়াস কৰিব বিচাৰিছে। দেশখনত এনে ধৰণৰ অপৰাধীসমূহ মুক্তভাৱে বিচৰণ কৰি আছে বুলি মুখাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে

বাংলাদেশে এনে ধৰণৰ কাৰ্যৰ পৰিৱৰ্তে নিজ দেশৰ সংখ্যালঘূসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া উচিত।

০০০০০০০০০

শ্ৰীমদভাগৱত গীতা আৰু ভৰত মুনিৰ নাট্য শাস্ত্ৰক ইউনেস্কোৰ বিশ্ব স্মৃতি পঞ্জীয়নত অন্তৰ্ভুক্ত কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতে সামাজিক মাধ্যমত এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিষয়টোক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে ইয়াৰ জৰিয়তে ভাৰতৰ শাশ্বত জ্ঞান আৰু বৰ্ণাঢ্য সংস্কৃতিয়ে বিশ্বত স্বীকৃতি লাভ কৰিলে বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে গীতা আৰু নাট্য শাস্ত্ৰই শতিকাজুৰি ভাৰতীয় সভ্যতাক উদ্বুদ্ধ কৰি আহিছে আৰু এই গ্ৰন্থ দুখনত নিহিত থকা শিক্ষা তথা দৰ্শনে জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে।

০০০০০০০০০

শিখসকলৰ নৱমজনা গুৰু, গুৰু টেগ বাহাদুৰ চাহিবৰ সোঁৱৰণত আজি দেশজুৰি প্ৰকাশ পৰ্ব উদযাপন কৰা হৈছে। অমৃতসৰত ১৬২১ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা গুৰু তেগ বাহাদুৰ আছিল ষষ্ঠ শিখ গুৰু গুৰু হৰগোৱিন্দ চাহেবৰ কনিষ্ঠ পুত্ৰ। অসমতো ধুবুৰীৰ গুৰুদ্বাৰ তেগ বাহাদুৰ চাহিবত শিখ গুৰুজনাৰ জয়ন্তী ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। গুৰু তেগ বাহাদুৰ চাহিবে ধুবুৰী জিলাত ১৭শ শতিকাত এই গুৰুদ্বাৰটো স্থাপন কৰিছিল। আজি প্ৰকাশ পৰ্ব উপলক্ষে গুৰুদ্বাৰটোত নগৰ কীৰ্তনৰ আয়োজন কৰাৰ লগতে গুৰুবাণী পাঠ কৰা হৈছে।

০০০০০০০০০

য়েমেনৰ পশ্চিম অংশত থকা এটা ইন্ধন বন্দৰত কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিমান আক্ৰমণত কমেও ৩৮ জন শ্ৰমিক নিহত হয়। এই ঘটনাত ১০০ অধিক লোক আগত হয়। আমেৰকিাৰ কেন্দ্ৰীয় কমাণ্ডে কয়, যে দেশখনৰ হোদেইদা প্ৰদেশৰ ৰাছ ইছা ইন্ধন কেন্দ্ৰত আক্ৰমণ চলোৱা হয়। এই আক্ৰমণ হুথি সন্ত্ৰাসবাদীৰ ৰাজহ সংগ্ৰহৰ উৎস ধংস কৰিবলৈ চলোৱা হৈছিল বুলি দাবী কৰি কোৱা হৈছে যে, য়েমেনৰ সাধাৰণ লোকক হতাহত কৰা এই আক্ৰমণৰ উদ্দেশ্য নাছিল। ইয়াৰ বিপৰীতে হুথিৰ স্বাস্থ্য মন্ত্ৰীয়ে কয়, যে এই আক্ৰমণত নিহত আৰু আহত হোৱা সকলোৱে হৈছে শ্ৰমিক।

০০০০০০০০০

আমেৰিকা আৰু ইৰাণৰ মাজত কাইলৈ ৰোমত হ'বলগীয়া দ্বিতীয়লানি পৰমাণু আলোচনাত ওমানৰ বিদেশ মন্ত্ৰ্যালয়ে মধ্যস্থতাকাৰীৰ ভূমিকা অব্যাহত ৰাখিব বুলি নিশ্চিতি প্ৰদান কৰিছে। মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তি যোগে কৈছে, যে যুক্তিগত কাৰণতেই ইটালীৰ ৰাজধানীখনক আলোচনাৰ নতুন স্থান হিচাপে বাছি লোৱা হৈছে। এই আলোচনাৰ জৰিয়তে বিষয়টো সন্দৰ্ভত এখন স্থায়ী চুক্তিৰ দিশে আগবাঢ়িব পৰা যাব বুলি মন্ত্ৰ্যালয়ে আশা প্ৰকাশ কৰিছে। আলোচনাৰ প্ৰতি আগবঢ়োৱা সহযোগিতা আৰু সমৰ্থনৰ বাবে মন্ত্ৰ্যালয়ে ইটালী চৰকাৰৰো শলাগ লৈছে।

উল্লেখযোগ্য যে, বিষয়টো সন্দৰ্ভত আমেৰিকা আৰু ইৰাণৰ মাজত যোৱা ১২ এপ্ৰিলত প্ৰথমলানি আলোচনা অনুষ্ঠিত হৈছিল।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

দুয়োটা দলেই ছখনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে  উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে। ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মুম্বাই ইণ্ডিয়ানছে  ১৮ অভাৰ আৰু এটা বলতেই ৬টা উইকেট হেৰুৱাই ১৬৬ ৰান কৰি বিজয় সাব্যস্ত কৰে।

০০০০০০০০০

চৌদি আৰবৰ ডাম্মামত অনুষ্ঠিত এছিয়ান য়ুথ চেম্পিয়নশ্বিপৰ ১৮ বছৰ অনুৰ্ধৰ মহিলাৰ ১০০ মিটাৰ হাৰ্ডলছত ভাৰতৰ সৌৰ্যা আম্বুৰেই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ১৫ বছৰীয়া খেলুৱৈগৰাকীয়ে ১৩ দশমিক ৮-০ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি তৃতীয় স্থান দখল কৰে। এই শাখাত চীনৰ বাও য়িনয়িন আৰু হে য়িহুই ক্ৰমে সোণ আৰু ৰূপৰ পদক অৰ্জন কৰে।

০০০০০০০০০

ভাৰতৰ সৌৰভ কোঠাৰীয়ে যোৱাবাৰৰ বিজয়ী পংকজ আদানীক পৰাস্ত কৰি ২০২৫ আই বি এছ্ এফ বিশ্ব বিলিয়াৰ্ড খিতাপ অৰ্জন কৰিছে। যোৱা বৃহস্পতিবাৰে আয়াৰলেণ্ডৰ কাৰ্লত অনুষ্ঠিত প্ৰতিযোগিতাৰ ৰোমাঞ্চকৰ খেলখনত সৌৰভ কোঠাৰীয়ে ৭২৫-৪৮০ ফলাফলত পংকজ আদানীৰ বিপক্ষে জয়লাভ কৰে। এই জয়েৰে সৌৰভ কোঠাৰী আই বি এছ্ এফ আৰু ডব্লিউ বি এল বিশ্ব বিলিয়াৰ্ড সন্মান লাভ কৰা তৃতীয়গৰাকী ভাৰতীয় ৰূপে পৰিগণিত হৈছে। তেওঁৰ ৩২৫ ৰানৰ ব্ৰেকটো মেচখনৰ আটাইতকৈ সুন্দৰ মুহূৰ্তৰ লগতে শেহতীয়া চেম্পিয়নশ্বিপৰ ইতিহাসত উল্লেখনীয় মুহূৰ্ত হিচাপে বিবেচিত হৈছে।

০০০০০০০০০

**সমাপ্ত**